2024

ASSAMESE

(Honours Core)

Paper : ASM–HC–6026

(অসমীয়া লিপিৰ ইতিহাস)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) লিপিৰ পূৰ্ণবিকশিত ৰূপটোক কি লিপি বুলি কোৱা হয় ?

(খ) কি লিপিত অক্ষৰ বা বৰ্ণ নাথাকে ?

(গ) সম্ৰাট অশোকৰ ধৰ্ম লিপিসমূহত ব্ৰাহ্মীৰ উপৰিও ব্যৱহাৰ হোৱা আন এবিধ লিপিৰ নাম লিখা।

(ঘ) উমাচল শিলালিপি কোনগৰাকী ৰজাই খোদিত কৰিছিল ?

(ঙ) কোন শতিকাত ভূতি বৰ্মাৰ ৰৰগংগা শিলালিপি খোদিত কৰা হৈছিল ?

(চ) সমুদ্র পালৰ আমবাৰী শিলালিপিখনিত মুঠ কিমানটা শাৰী পোৱা যায় ?

(ছ) ভাস্কৰ বর্মাৰ ডুবি তাম্রশাসনখন কিমান চনত উদ্ধাৰ হৈছিল ?

(জ) হর্জৰৰর্মাৰ হায়ুংথল তাম্রশাসন কোনখন জিলাত উদ্ধাৰ হৈছিল ?

(ঝ) 'কিতাৱৎমঞ্জৰী' গ্রন্থখন অসমৰ কি শৈলীৰ লিপিত লিখা ?

(ঞ) সর্বেশ্বৰ কটকীৰ লিপিবিষয়ক গ্রন্থখনৰ নাম কি ?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) প্রাচীন নাগৰী লিপিৰ পৰা বিকাশ হোৱা দুবিধ লিপিৰ নাম লিখা।

(খ) ধ্বনিমূলক লিপিক কি দুটা ভাগত ভাগ কৰা হয় ?

(গ) গছতলৰ লিপি কোনে উদ্ধাৰ কৰি আনি, ক'ত জমা দিছিল ?

(ঘ) অসমৰ অধিকাংশ বুৰঞ্জী পুথি কি লিপিৰে লিখিত ? এই পুথি লিখিবলৈ ৰজাই নিযুক্তি দিয়া খেলটো কি নামেৰে পৰিচিত ?

(ঙ) বনমাল বর্মাৰ দুখন শাসনৰ নাম লিখা।

(Continued)

৩। চমু উত্তৰ দিয়া (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) খৰোষ্ঠী লিপিৰ বিষয়ে এটি টোকা লিখা।

(খ) ব্রাহ্মী লিপিৰ নামৰ তাৎপর্য আৰু ইয়াৰ উৎপত্তিৰ বিষয়ে চমুকৈ আলোচনা কৰা।

(গ) নগাজৰী খনিকৰ গাঁও প্রস্তৰ খণ্ডলিপি সম্পর্কে চমু আভাস দিয়া।

(ঘ) ভাস্কৰ বর্মাৰ নিধনপুৰ তাম্রশাসনৰ চমু পৰিচয় দিয়া।

(ঙ) বামুণীয়া লিপিৰ বিষয়ে এটি টোকা প্রস্তুত কৰা।

(চ) অসমীয়া সচিত্র পুথিৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

৪। তলৰ প্রশ্নবোৰৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) লিপিৰ বিকাশক প্রধানকৈ কেইটা ভাগত ভাগ কৰা হয় ? প্রতিটো ভাগকে সামৰি এটি নিৱন্ধ যুগুত কৰা।

অথবা

ব্রাহ্মী লিপিৰ বিৱর্তনৰ ধাৰাসমূহ বহলাই আলোচনা কৰা।

(খ) পঞ্চম শতিকাৰ পৰা ত্রয়োদশ শতিকালৈ পুৰণি অসমীয়া বা কামৰূপী লিপিৰ পৰিচয় দাঙি ধৰা।

অথবা

কানাই ৰৰশী বোৱা শিলালিপি আৰু ভূতি বর্মাৰ ৰৰগংগা লিপিৰ পৰিচয় দাঙি ধৰা।

(Turn Over)

(গ) অসমৰ তাম্ৰলিপিসমূহৰ এটি সাধাৰণ পৰিচয়জ্ঞাপক বৰ্ণনা দাঙি ধৰা।

অথবা

বলবৰ্মাৰ নগাঁও আৰু হাওৰাঘাট শাসনৰ বিষয়ে বিতংকৈ আলোচনা কৰা।

(ঘ) পুৰণি অসমীয়া হাতেলিখা পুথিৰ লিপিৰ সম্যক পৰিচয় দাঙি ধৰা।

অথবা

পুৰণি অসমীয়া হাতেলিখা পুথিৰ লিখনকলা আৰু লেখনসামগ্ৰী সম্বন্ধে এটি আলোচনা আগবঢ়োৱা।

***